**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-07-2025 **Time :** 0755 Hrs.

# <u>Assamese Morning Bulletin</u>

ৰাজ্য চৰকাৰৰ অনুসূচীত জাতি, পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয় আৰু উত্তৰ-পূব দক্ষতা কেন্দ্ৰৰ সহযোগত শোণিতপুৰ জিলাৰ অনুসূচীত জাতিৰ প্ৰাৰ্থীৰ বাবে প্ৰধানমন্ত্ৰী অনুসূচীত জাতি অভ্যুদয় আঁচনিৰ অধীনত বিনামূলীয়াকৈ এবছৰীয়া বৃত্তিমূলক দক্ষতা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ২০২৫-২০২৬ শৈক্ষিক বৰ্ষৰ বাবে অহা ১৬ জুলাই পুৱা ১১ বজাৰ পৰা তেজপুৰত থকা জিলা নিয়োগ বিনিময় কেন্দ্ৰত এই নামভৰ্তি অভিযান অনুষ্ঠিত হ'ব। আই টি ই ই এছ ছিংগাপুৰৰ সহযোগিতাৰে অসম দক্ষতা বিকাশ অভিযানৰ অধীনৰ এই প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে ব্যৱসায়িক ভিত্তিত সৌন্দৰ্য চৰ্চা আৰু স্বাস্থ্য যতন, খুচুৰা সেৱাকে ধৰি বিভিন্ন বিষয়ৰ উচ্চমানৰ বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণৰ নামভৰ্তিৰ বাবে প্ৰাৰ্থীসকল অনুসূচীত জাতিৰ হোৱাৰ লগতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। প্ৰশিক্ষাৰ্থীৰ বয়স ১৭ৰ পৰা ২৫ৰ বছৰৰ ভিতৰত হ'ব লাগিব। ১৬ জুলাইত হ'বলগীয়া কাৰ্যসূচীত ইচ্ছুক প্ৰাৰ্থীসকলৰ বাবে থিতাতে নামভৰ্তিৰ ব্যৱস্থা কৰা হৈছে। আগ্ৰহী অনুসূচীত জাতিৰ প্ৰাৰ্থীসকলক সেইদিনা সঠিক সময়ত উপস্থিত থাকি বিনামূলীয়া দক্ষতা বিকাশ প্ৰশিক্ষণ আৰু উন্নত নিয়োগৰ সুযোগৰ বাবে সুবিধা গ্ৰহণ কৰিবলৈ শোণিতপুৰৰ জিলা উন্নয়ন আয়ুক্তই আহ্বান জনাইছে।

০০০০০০০০

অসমত দুগ্ধ উৎপাদনেৰে স্থানীয় অৰ্থনীতি সৱল কৰাৰ সুন্দৰ সম্ভাৱনা আছে। দুদিনীয়া কাৰ্বি আংলং ভ্ৰমণৰ সময়ছোৱাত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি জিলাখনৰ মানজাৰ এটা দুগ্ধ উৎপাদন কেন্দ্ৰ পৰিদৰ্শন কৰি এই মন্তব্য কৰে। তেওঁ লগতে কয়, যে স্থানীয় অৰ্থনীতি সৱল কৰি তোলাৰ বাবে দুগ্ধ খণ্ডৰ উন্নয়নৰ প্ৰয়োজন। কৃষক আৰু চৰকাৰৰ মাজত সমন্বয় থাকিলেহে দুগ্ধ খণ্ডৰ উন্নয়ন অধিক ত্বৰান্বিত হ'ব বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে কাৰ্বি আংলঙৰ ভ্ৰমণৰ অংশ হিচাপে কালি লংনিতত থকা জলজীৱন মিছনৰ প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। তদুপৰি তেওঁ চৰকাৰৰ বিভিন্ন আঁচনিসমূহ ৰূপায়ণ আৰু হিতাধিকাৰীসকলে সেই আঁচনিসমূহৰ পৰা কেনেদৰে সৰ্বাধিক লাভ পাব পাৰে সেই বিষয় লৈও স্থানীয় লোকৰ সৈতে বাৰ্তালাপ কৰে।

০০০০০০০০

ৰাজ্যৰ বিদ্যালয়সমূহৰ টিউটৰসকলক শিক্ষক পদলৈ উন্নীতকৰণকে ধৰি কেইবাটাও দাবীৰ সমৰ্থনত কালি সদৌ অসম প্ৰাদেশীকীকৃত মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক টিউটৰ সংস্থাই বিক্ষোভ প্ৰদৰ্শন কৰে। গুৱাহাটীৰ চচলত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সহস্ৰাধিক টিউটৰৰ হাতে হাতে বেনাৰ, প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে চচলৰ পৰা দিছপুৰলৈ ৰাওনা হোৱাৰ চেষ্টা চলাই যদিও নিৰাপত্তাৰক্ষীৰ লোকে বাধা প্ৰদান কৰে। প্ৰতিবাদকাৰী টিউটৰসকলে জনায় যে, দায়িত্ব পালনৰ ক্ষেত্ৰত শিক্ষকসকলৰ সমানে কাম কৰিবলগীয়া হয় যদিও প্ৰাপ্য লাভৰ ক্ষেত্ৰত টিউটৰসকলে শিক্ষকসকলৰ দৰে সা-সুবিধা আৰু দৰমহা

লাভ নকৰে। সেয়েহে সংশ্লিষ্ট আইন সংশোধন কৰি হ'লেও টিউটৰসকলক শিক্ষকৰ মৰ্যদা বিনা চৰ্তে প্ৰদান কৰাৰ বাবে প্ৰতিবাদকাৰী টিউটৰসকলে দাবী উত্থাপন কৰে।

০০০০০০০০

ৰঙিয়াৰ পৰা ৰঙাপাৰা-লখিমপুৰ হৈ ডিব্ৰুগড় সংযোগী ৰে'লপথত কালি বিদ্যুৎচালিত যাত্ৰীবাহী ৰে'লৰ যাত্ৰা আৰম্ভ হয়। দিল্লীৰ পৰা ডিব্ৰুগড় অভিমুখী ৰাজধানী এক্সপ্ৰেছ ৰঙিয়া জংছনত উপস্থিত হোৱাৰ পিছতেই এই বিদ্যুৎচালিত ৰে'লপথত যাত্ৰা আৰম্ভ কৰা হয়। ৰঙিয়া ৰে'ল সংমণ্ডলৰ বিষয়া নিৰজ গুপ্তাই এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে, ৪২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'ল পথটোৰ বৈদ্যুতিকৰণৰ কাম ২০২২ চনত আৰম্ভ হৈছিল। এই নতুন পদক্ষেপে অঞ্চলটোৰ ৰে'ল যোগাযোগ ব্যৱস্থাত নতুন অধ্যায়ৰ সূচনা কৰাৰ লগতে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰতো সহায়ক হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০০০০

লখিমপুৰ জিলাৰ বিহপুৰীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়া ড° ৰাতুল বৰাৰ নেতৃত্বত ৬৩৩ নম্বৰ বালিপুখুৰী প্ৰাথমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ছদিনীয়া শিবিৰ অনুষ্ঠিত হৈছে। যোৱা ৬ জুলাইত আৰম্ভ হোৱা এই শিবিৰৰ আজি সামৰণি পৰিব। ছাত্ৰ-ছাত্ৰী আৰু যুৱ সমাজৰ সামাজিক দায়বদ্ধতা, সামাজিক শৃংখলা আৰু সমাজ সেৱাৰ মনোভাৱেৰে গঠিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিভিন্ন কাৰ্যসূচীৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ মাজত কেইবাটাও দিশত সজাগতা সৃষ্টিৰ প্ৰয়াস চলোৱা হৈছে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি ড্ৰাগছ সেৱনৰ বিৰুদ্ধে এখন আলোচনাচক্ৰও অনুষ্ঠিত হয়। শিবিৰত প্ৰতিটো সন্ধিয়া ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্ব আৰু প্ৰতিভা বিকাশৰ লক্ষ্যৰে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়।

০০০০০০০০

ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত আৰু পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী যুৱ মঞ্চ, মাৰোৱাৰী সন্মিলন আৰু মাৰোৱাৰী সন্মিলন মহিলা শাখাৰ লগতে ডিব্ৰুগড়ৰ প্ৰাগ-জনমভূমি পৰিয়ালৰ সহযোগত আয়োজিত ভূপেন্দ্ৰ সংগীত কৰ্মশালাৰ কালি সামৰণি পৰে। তিনিদিনীয়াকৈ অনুষ্ঠিত এই কৰ্মশালাত অংশগ্ৰহণকাৰীসকলক ভূপেন হাজৰিকাৰ সংগীতৰ গভীৰতা, ব্যঞ্জনা, কথা আৰু সুৰ সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৰ্মশালাত ডিব্ৰুগড়ৰ প্ৰেৰণা শিশু গৃহৰ কেইবাগৰাকীও শিশুৱে অংশগ্ৰহণ কৰে। সংগীত শিল্পী মণীষা হাজৰিকা, নিত্যানন্দ ডেকা, নমিতা ভট্টাচাৰ্য গোস্বামী আৰু সৌৰভ মহন্তই সমল ব্যক্তি হিচাপে অংশগ্ৰহণকাৰী শিশুসকলক প্ৰশিক্ষণ প্ৰদান কৰে। এই অনুষ্ঠানতেই ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ হৈ সম্পাদিকা মঞ্জুলা হাজৰিকাই প্ৰেৰণা শিশু গৃহৰ বাবে আৰ্থিক অনুদান আগবঢ়ায়।

০০০০০০০০

**সমাপ্ত**